# মূৰ্ত্তিমান মূহূৰ্ত্ত

*বীনা শৰ্মা*

"কৰ্মন্যোবাধিকাৰস্তে মা ফলেষু কদাচন,
মা কৰ্মফল হের্তুভূ মা তে সাঙ্গোহস্ত কৰ্ম্মানি,
যোগাস্থ্ পুৰু কৰ্ম্মানি সঙ্গং ত্যক্তা ধনঞ্জয়,
সিদ্ধ্য সিদ্ধ্যো: সা মা ভূত্বা সমত্ব যোগ উচ্যতে ।"

অৰ্থাৎ কৰ্মতহে তোমাৰ অধিকাৰ আছে, ফলত নহয় । কৰ্মফলৰ আকাংক্ষা নকৰিবা (কিন্তু) কৰ্ম নকৰাৰ কথাও চিন্তা নকৰিবা; ফলৰ প্ৰতি আসক্তি ত্যাগ কৰি যোগস্থিত হৈ কাম কৰি যোৱা, এই সমত্ব বা নিৰ্বিকাৰতাকে যোগ বোলে । এইয়া ভগবানৰ বাণী, জগৎবাসীৰ প্ৰতি মহৎ উপদেশ । এই মহৎ উপদেশৰ সত্যতা উপলব্ধি কৰি কৰ্ম কৰিব পৰা জনেই শ্ৰেয়: আৰু মহান ব্যক্তি, তেৰেঁই মহাপুৰুষ, যুগে যুগে এনে কৰ্মযোগীৰ আৰ্বিভাৱ হৈ আহিছে, হৈ থাকিব ।

অসমী আইৰ কোলাত বহুজন শিল্পী, সাহিত্যিক, কবি, সমাজকৰ্মী আৰু ৰাজনৈতিক নেতাৰ জন্ম হৈছে; অনেকেই স্বমহিমাৰে মণ্ডিত হৈ অসমী আইৰ মুখ উজ্জল কৰি গৈছে । এই মহিমামণ্ডিত মহান সকলৰে এজন হৈছে কৰ্মযোগী ৺বিষ্ণু প্ৰসাদ ৰাভা ।

বিষ্ণু প্ৰসাদ ৰাভা আছিল এগৰাকী মহান শিল্পী; তেখেতে ভাৰতৰ শ্ৰেষ্ঠ কলাবিদ আৰু কলাগুৰু সন্মান লাভ কৰিছিল। ক্ৰীড়া জগততো তেখেতৰ অৱদান আছে বিশেষকৈ ক্ৰিকেট, ফুটবল, ভলীবল, হকী আৰু বেডমিণ্টনত তেখেতে এগৰাকী সুদক্ষ খেলুৱৈৰ স্বাক্ষৰ বহন কৰি গৈছে ।

ৰাজনীতি জগতত তেখেত আমাৰ সকলোৰে চিনাকী নাম। সাম্যবাদৰ বাবে মাৰ্কসবাদ আৰু লেনিনবাদৰ দ্বাৰা উদ্বুদ্ধ হৈ পৰিছিল । অসমৰ হাজাৰ হাজাৰ জন দৰিদ্ৰৰ দু:খ মোচনৰ বাবে সোণৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰিও অবিৰত সংগ্ৰাম চলাইছিল । কাঁইটিয়া জীৱন পথেৰে বাট বুলিছিল। সৰ্বহাৰা দৰিদ্ৰ নাৰায়নৰ মুক্তিৰ বাবে পলৰৰ'চনৰ গীতৰ দৰে গীত ৰচি গীতৰ মাজেৰে বৈপ-বিক বাতাবৰণ সৃষ্টি কৰিছিল ।

পশ্চিমবঙ্গৰ প্ৰখ্যাত সাহিত্যিক অন্নদা শংকৰ ৰায়ে ৰাভাদেৱৰ বিষয়ে কৈছিল - 'অসম বহু জাতি, বহু ভাষা সংস্কৃতিৰ ৰাজ্য হিচাবে ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ এখন ভাৰত, ৰাভা সমন্বয়ৰ প্ৰতীক। ৰাভাৰ জীৱন যেনেকৈ জনতাৰ লগত আছিল তেনেকৈ যদি অসমৰ সংস্কৃতি, ধৰ্ম সংস্কাৰ থাকে, অসমৰ সাহিত্য সংস্কৃতিয়ে অতি উচ্চ আসন লাভ কৰিব।'

নৃত্যকলাত ৰাভাদেৱৰ অপৰিসীম দক্ষতা আছিল । ১৯৪০ চনত কাশী বিশ্ববিদ্যালয়ত শিৱৰ তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰি ভাৰতৰ শ্ৰেষ্ঠ নৃত্য শিল্পীৰূপে পৰিগণিত হয়। সেই সময়ৰ শ্ৰেষ্ঠ নৃত্যশিল্পী উদয় শংকৰে প্ৰদৰ্শন কৰা নটৰাজৰ নৃত্যতকৈও তাণ্ডৱ নৃত্য শ্ৰেষ্ঠ হৈছিল বুলি উদয় শংকৰে নিজে স্বীকাৰ কৰিছিল। সেই অনুষ্ঠানতে উপাচায্য ড: সৰ্বপল্লী ৰাধাকৃষ্ণনৰ পৰা শ্ৰেষ্ঠ কলাবিদ আৰু কলাগুৰু উপাধি, সোনৰ পদক সন্মান সহ লাভ কৰিছিল ।

শ্বিলঙৰ গেৰিচন গ্ৰাউণ্ডত সাহিত্য সভাই আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চত অভিনীত ৰাভাদেৱৰ তাণ্ডৱ নৃত্য দৰ্শনৰ সৌভাগ্য মোৰ হৈছিল । যিয়ে সেই অনুষ্ঠানৰ নৃত্য দেখিছে, মনৰ মণিকূটত স্মৃতিৰ জালত সেই দৃশ্য বান্ধ খাই আছে ।

তেখেতে ৰাইজক কৈছিল -"মানুহে মোক শিল্পী বুলি কয়। যদি মই শিল্পী হওঁ বিধাতাৰ আৰ্শীবাদত মই শিল্পী হোৱা নাই, ৰাইজৰ আশীষতহে হৈছোঁ । ৰাইজৰ পৰা এটুপি এটুপি সুন্দৰৰ ৰস বুটলি আনি মই মোৰ কোঁহত ভৰাই লওঁ । সেই মনকোঁহৰ ৰহঘৰাৰ মৌ কোঁহ ৰচি, তাৰ পৰা ওলোৱা টোপাল টোপাল ৰস নিজৰি নিজৰি, নিগৰি নিগৰি উলিয়াই ৰাইজক বিলাই দিওঁ । সেয়েহে ৰাইজৰ লগত মোৰ জীৱনৰ সম্পৰ্ক ওত:প্ৰেত ভাৱে জড়িত আৰু সেই কাৰণেই ৰাইজৰ দুখত সমদুখী আৰু ব্যথাত ব্যথিত ।"

কলাগুৰু বিষ্ণু ৰাভাৰ আহ্বান - 'আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত, অসমক মৰিবলৈ নিদিওঁ, অসমীয়া সংস্কৃতি লুপ্ত হবলৈ নিদিওঁ, অসমৰ বুকুত বৈচিত্ৰৰ মাজত ঐক্যৰ দোলেৰে গুঠি দুনাই শক্তিশালী অসমীয়া জাতি গঢ়োঁ । সুন্দৰতম ন অসমীয়া সংস্কৃতি ৰচোঁ । সোনৰ অসম গঢ়ি আশাৰ ৰংঘৰ, আকাংক্ষাৰ কাৰেংঘৰ, কামনা-বাসনাৰ তলাতল ঘৰ সাজোঁ ।'

ৰাভাদেৱৰ এই আন্তৰিক আহ্বানৰ বিপৰীতে বৰ্তমান কালত অসমৰ সাংস্কৃতিক, অৰ্থনৈতিক গতি ধাৰাত কোনো পতিয়ন যাব পৰা নাই -এইয়া বৰ দুৰ্ভাগ্যজনক ।

এনে এজন প্ৰখ্যাত শিল্পী, সাহিত্যক, অভিনেতা বা নেতাক লগ পোৱাৰ হেপাঁহ, লগ পালে দুআষাৰ কথা পতাৰ আগ্ৰহ কম বেচি পৰিমানে সকলোৰে থাকে । একেজন মানুহৰ গাত যেতিয়া এই গোটেইখিনি আভূষণেৰে অলংকৃত হয়, তেনে এজন ব্যক্তিক লগ কৰিবলৈ নি:সন্দেহে সকলোৰে আগ্ৰহ হব - মোৰ ক্ষেত্ৰতো সেয়ে হৈছিল ।

ষাঠিৰ দশকৰ শেহৰ ফালৰ কথা । মোৰ প্ৰয়াত স্বামী জনস্বাস্থ্য আৰু গড়কাপ্তানী বিভাগৰ উচ্চপদস্থ বিষয়া আছিল। আমি তেতিয়া বিভাজনৰ আগৰ অসমৰ ৰাজধানী শ্বিলং চহৰত আছিলোঁ । বিভিন্ন কামত তেখেতক লগ ধৰিবলৈ বহুতো লোক আহে । আলিবাট, দলং, খোৱাপানী, নলীনাদ, চৰকাৰী ঘৰ আদি এশ এবুৰি সমস্যালৈ অসমৰ বিভিন্ন সমষ্টিৰ বিধায়ক সকলো আহিছিল । নিজৰ সমষ্টিৰ উন্নয়নৰ পৰিকল্পনা কৰি অথবা সমস্যা থাকিলে সমাধানৰ উপায় বিচাৰি আলোচনা কৰিবলৈ অফিচত লগ নাপালে ঘৰলৈকো আহে ।

বিধায়ক থকা কালত বিষ্ণু ৰাভাও এখেতক লগ ধৰিবলৈ মাজে সময়ে আমাৰ ঘৰলৈ গৈছিল - সেই কথা অৱশ্যে মই জনা নাছিলোঁ । তেতিয়া 'ৰামধেনু'ৰ যুগ । যুগজয়ী জ্ঞানপীঠ বটা বিজয়ী সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি?' নামৰ কবিতা এটি ৰামধেনুত প্ৰকাশিত হৈছিল । এই কবিতাটিক লৈ বাতৰি কাকত, আলোচনী আদিত বহুতো সমালোচনা আৰু মন্তব্য প্ৰকাশ হৈছিল । সাহিত্য জগতত এই কবিতাই এক আলোড়নৰ সৃষ্টি কৰিছিল । সকলোৰে মুখে মুখে 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি?' ।

এদিন আমাৰ ঘৰুৱা কামকৰা ল'ৰাটোৱে খবৰ কাগজত ৰাভা ডাঙৰীয়াৰ এখন ডাঙৰ ছবি দেখি মোক কলে 'বাইদেউ, এইজন মানুহ দেখোঁন আমাৰ ঘৰলৈ মাজে মাজে আহি থাকে । মই চিনি পাইছোঁ নহয়; কালি ৰাতিপুৱাও আহিছিল । মই চাহ দিছোঁ নহয় । চাৰৰ লগত একেলগে অফিচলৈ গাড়ীত উঠি গৈছিল ।'

'হয় নেকি? আকৌ আহিলে মোক কবা' বুলি ল'ৰাটোক কলোঁ । এখেত অফিচৰ পৰা আহি পোৱাৰ পিচত সুধিলোঁ 'হয় নে, দুৰ্গাই দেখোন আজি বাতৰি কাকতত ওলোৱা বিষ্ণু  ৰাভাৰ ফটোখন দেখি কৈছে এইজন মানুহ বোলে আমাৰ ঘৰলৈ আহি থাকে, হয় নেকি?'

'অঁ, আহে মাজে মাজে সমষ্টিৰ কামত আহে, কেলেই কি হ'ল?' 'আপুনিনো তেখেতক মোৰ লগত চিনা পৰিচয় কৰি দিয়া নাই কিয়? চালো হেঁতেন, লগ পালে কিমান ভাল লাগিব'।

'সেই কথা মই ভবাই নাছিলোঁ - লৰালৰিকৈ আহে, তেওঁলোকৰো সময় কম, দৰকাৰী কথাহে পতা হয় । এইবাৰ আহিলে বাৰু পৰিচয় কৰাই দিম' । লগতে মোক জোকাবলৈ কলে - 'কিটো চাবা, দেখিবলৈ পিচে ভাল নহয়'। 'ইস্, তেওঁ কিবা চেহেৰাৰ কাৰণে বিখ্যাত নেকি?' মই কলোঁ ।

সেই কথাৰ ভালেমানদিন পিচত এদিন গাড়ীৰে গৈ আছোঁ; এখেতক অফিচত নমাই থৈ মোৰ আন এফালে যোৱাৰ কথা আছিল। চেক্ৰেটেৰিয়েট পোৱাৰ অলপ আগতেই হঠাৎ এখেতে গাড়ীখন ৰখাবলৈ কৈ নিজে গাড়ীৰ পৰা নামি গল । অলপ সময়ৰ পিচতে গাড়ীৰ ওচৰলৈ মানুহ এজনক হাতত ধৰি লৈ আহি মোক কলেহি 'এইয়া চোঁৱা, তুমি লগ পাব খুজিছিলা নহয় ৰাভাদেৱক, মই বাটতে পাই এৰেষ্ট কৰি আনিছোঁ '। লগত আৰু এজন মানুহ আছিল। 'এখেত সকলক নিজে ধৰা নিদিলে বিচাৰি পোৱা টান।' ৰাভাদেৱৰ ফালে চাই কলে 'এইয়া চাওক, মোৰ পৰিবাৰে আপুনি আমাৰ ঘৰলৈ গৈ থাকিও, তেওঁৰ সৈতে চিনাকী কৰি নিদিয়া বাবে বেয়া পাইছে । সেয়ে বাটতে পাই পৰিচয় কৰাই দিলোঁ ।'

ৰাভাদেৱে কলে - 'এ আমি পলাতক মানুহ, ক'ত বিচাৰি পাব । বৃটিচ চৰকাৰেও মূৰৰ দাম ঘোষণা কৰে, স্বাধীন চৰকাৰেও কৰে, হাবিয়ে বননিয়ে পলাই ফুৰা মানুহ; তেনেই আপচু - কি চাব আমাক; বৰ্তমান আছোঁ আৰু

ৰাইজৰ কামত লাগি । আপোনৰ লগত পৰিচয় হোৱা নাই সঁচা, আপোনৰ হাতৰ পিঠা-পনাৰ সোৱাদ পিচে লৈ আছোঁ দেই। শৰ্মাই আমাৰ সমষ্টিত দুটামান কাম কৰাই দিয়াৰ ব্যৱস্থা কৰিছে - সেই খিনি কাম হলে ৰাইজৰ বৰ ডাঙৰ উপকাৰ হব। তেখেতক এবাৰ আমাৰ সমষ্টিলৈ মাতিছোঁ; আপুনিও আহিব লগতে’ । তেখেতে হাঁহি হাঁহি আৰু কলে ‘আজিকালি মোৰ শৰীৰ বৰ ভাল নহয় - চেহেৰাটোহে দেখিছে ভয়ংকৰ - শক্তি কমিছে ।’

এইদৰে মাজ বাটতে থিতাতে পৰিচয় হব লগীয়া হোৱাত মই তেনেই হতবাক হ’লোঁ । তেখেতক লগ পালে সুধিম বুলি ভবা কথা মোৰ সেই মূহুৰ্ত্তত একেবাৰেই মনত নপৰিল । গাড়ীত বহি থাকোতেই মাত্ৰ সৌযন্যসূচক নমস্কাৰ বিনিময় কৰি তেখেতে কোৱা কথা খিনি শুনিলো । সৰু সৰু চকু, চেপেতা নাক, মুৰ ভৰা ক’লা চুলি, মাগুৰ বৰণীয়া গাৰ ৰঙৰ হটঙা মানুহজনলৈ নিৰীক্ষন কৰিলো । কথা কওঁতে যেন অলপ ভাগৰি পৰিছে । তেখেতৰ মুখত এমোৰোকা তামোল, পিন্ধনত এড়ীৰ পাঞ্জাৱী আৰু ডিঙিত ৰাভা জনজাতি সকলৰ মাফ’লাৰৰ নিচিনা হালধীয়া কাপোৰ মেৰিয়াই লৈছিল । তেতিয়া সকলোৰে অফিচলৈ অহাৰ সময়, সময়ৰ টনাটনি । আকৌ আহিলে ঘৰত লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে বিদায় সম্ভাষণ জনাই আমি আটায়ে নিজ নিজ গন্তব্য স্থানলৈ প্ৰস্থান কৰিলোঁ ।

সেয়ে মোৰ ৰাভাদেৰৰ লগত চিনাকীৰ সূত্ৰপাত আছিল । এই পৰিচয়ৰ সূত্ৰপাততে অৰ্থাৎ আৰম্ভণীতেই শেষ হব বুলি ভবা নাছিলো । কিছুদিনৰ পিচতে এখেতৰ পৰা জানিব পাৰিলো যে ৰাভাদেৰৰ গা দিনে দিনে বেয়াৰ ফালে ঢাল খাইছে । বাতৰি কাকতত তেখেতৰ অসুখৰ কথা পালে । ১৯৬৯ চনৰ ২০ জুনত শিলৰ দৰে কঠোৰ পৰিশ্ৰমী মানুহ জন - মাটিৰ মানুহ মাটিতে মিলি গ’ল । অসমী আইৰ সুযোগ্য সন্তান জনৰ দেহাৱসান ঘটিল সঁচা - কিন্তু এজনো অসমীয়া জীয়াই থকালৈকে তেওঁ অমৰ হৈ থাকিব ।

*শ্ৰীমতী বীনা শৰ্মা প্ৰয়াত অভিযন্তা পুণ্ডৰীকাক্ষ শৰ্মাৰ ভাৰ্য্যা আৰু ডুবাই নিবাসী শ্ৰীমতী নীনা কটকীৰ মাতৃ । শ্ৰীমতী শৰ্মা এগৰাকী সমাজ সেৱিকা ৰূপে ভালেমান অনুস্থানৰ লগত জড়িত । ‘প্ৰবাসী বিহুৱান’ লৈ তেখেতৰ এই দ্বিতীয় বৰঙণি ।*